रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7
নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## ( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এণ্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্ব্যনচ্ ক্যান্‌ভেন্‌শ্ব্যন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এণ্টি হাইয্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্‌পমেণ্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্ব্যন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্ব্যন এণ্ড কনচিলিয়েশ্ব্যন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্‌ডিকেশ্চ্যন্‌চ অৱ গুডচ্ (ৰেজিচ্‌ট্ৰেইশ্ব্যন এণ্ড প্ৰ্যাটেক্ শ্ব্যন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# বৰ্ণ বৈষম্য বিৰোধী ( সংযুক্ত ৰাষ্ট্ৰ অভিসময় ) অধিনিয়ম, ১৯৮১

## ১৯৮১ ৰ সংখ্যা ৪৮

[ ১৯৮১ ৰ ১৮ ডিচেম্বৰ ]

**বৰ্ণ বৈষম্যৰ অপৰাধ গোপন কৰা আৰু শাস্তিৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় অভিসময়ক প্ৰভাৱী কৰিবলৈ এখনি অধিনিয়ম।**

যিহেতুকে ১৯৭৩ ৰ ৩০ নবেম্বৰত সংযুক্ত ৰাজ্যৰ সাধাৰণ সভাৰ দ্বাৰা বৰ্ণ বৈষম্যৰ অপৰাধৰ গোপনকৰণ আৰু শাস্তিৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় অভিসময় গ্ৰহণ কৰা হৈছে ;

আৰু যিহেতুকে উক্ত অভিসময়ত সন্মিলিত হোৱা ভাৰতবৰ্ষই ইয়াক প্ৰভাৱী কৰাৰ বাবে উপবন্ধাৱলী প্ৰণয়ন কৰা উচিত ;

ভাৰত গণৰাজ্যৰ দ্বাত্ৰিংশ বৰ্ষত সংসদৰ দ্বাৰা ইয়াক নিম্নানুসাৰে অধিনিয়মিত কৰা হওঁক ঃ-

সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

১। (১) এই অধিনিয়মখন বৰ্ণ বৈষম্য বিৰোধী (সংযুক্ত ৰাষ্ট্ৰ অভিসময়) অধিনিয়ম, ১৯৮১ বুলি অভিহিত হব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত।

বৰ্ণ বৈষম্যৰ অপৰাধৰ গোপনকৰণ আৰু শাস্তিৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় অভিসময়ৰ প্ৰয়োগ।

২। (১) কোনো আন বিধিত কোনো বৈপৰীত কথা থকা স্বত্বেও, অনুসূচীত উপবৰ্ণিত দৰে বৰ্ণ বৈষম্যৰ অপৰাধৰ গোপনকৰণ আৰু শাস্তিৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় অভিসময়ৰ এনে উপবন্ধাৱলীৰ ভাৰতবৰ্ষত বিধিৰ বল থাকিব।

(২) কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি তাত উপবৰ্ণিত উক্ত অভিসময়ত সম্যকভাবে প্ৰণয়ন কৰা আৰু গ্ৰহণ কৰা উপবন্ধাৱলীৰ কোনো সংশোধনৰ সঙ্গত হোৱাকৈ অনুসূচী সংশোধন কৰিব পাৰে।

(৩) উপধাৰা (২)ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত ইয়াক জাৰি কৰাৰ পিছত যিমান সোনকালে পাৰি উত্থাপিত কৰা হব।

আন্তঃৰাষ্ট্ৰীয় আপৰাধিক দায়িত্বৰ বাবে শাস্তি।

৩। অনুসূচীত উপবৰ্ণিত দৰে উক্ত অভিসময়ৰ অনুচ্ছেদ ।।। ৰ অধীনত আন্তঃৰাষ্ট্ৰীয় আপৰাধিক দায়িত্ব প্ৰয়োগ হোৱা প্ৰত্যেক ব্যক্তি মৃত্যু দণ্ডেৰে, বা আজীৱন কাৰাবাসেৰে, বা দহ বছৰলৈ বিস্তৃত হব পৰা এটা অবধিৰ কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমণাৰ বাবেও দায়ী হব।

স্পষ্টীকৰণ — এই ধাৰাৰ প্ৰয়োজনাৰ্থে, "অনুচ্ছেদ ।।" লৈ উক্ত অভিসময়ৰ অনুচ্ছেদ ।।। ৰ খণ্ড (ক)ত থকা নিৰ্দেশ অনুসূচীত উপবৰ্ণিত দৰে সেই অভিসময়ৰ অনুচ্ছেদ ।। ৰ উপবন্ধাৱলী লৈ দিয়া নিৰ্দেশৰ দৰে অৰ্থ হব।

কোম্পানী, সংগঠন বা প্ৰতিষ্ঠান সমূহৰ দ্বাৰা কৰা অপৰাধ সমূহ।

৪। য'ত কোনো এটা কোম্পানী বা এটা সংগঠন বা এটা প্ৰতিষ্ঠানৰ দ্বাৰা এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটিত কৰা হয়, অপৰাধটো সংঘটন হোৱাৰ সময়ত ইয়াৰ ব্যৱসায় বা কাৰ্য্যকলাপৰ পৰিচালনাৰ বাবে, কোনো কোম্পানী, সংগঠন বা যথাস্থিতি প্ৰতিষ্ঠানৰ ভাৰপ্ৰাপ্ত আৰু উত্তৰ দায়িত্বত থকা, প্ৰত্যেক ব্যক্তিক অপৰাধটোৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীযুক্ত হবলৈ দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ঃ

পৰন্তু এই ধাৰাৰ কোনো কথাই, এই অধিনিয়মত উপবন্ধিত কোনো দণ্ডৰ বাবে কোনো এনে ব্যক্তিক দায়ী নকৰিব যদিহে তেওঁ, প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ অজ্ঞানে সংঘটিত হৈছিল বা এনে অপৰাধৰ সংঘটন নকৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

**স্পষ্টীকৰণ** –এই ধাৰাৰ প্ৰয়োজনাৰ্থে, কোম্পানী মানে, কোনো ব্যক্তি নিকায় আৰু ই, কোনো ফাৰ্ম বা ব্যক্তিৰ আন সংস্থাক অন্তৰ্ভুক্ত কৰে।

বিচাৰৰ স্থান।

৫। ধাৰা ৩ৰ অধীনত অপৰাধ সংঘটিত কৰা কোনো ব্যক্তিক, তেওঁক বিচাৰি পোৱা স্থানত বা এনে আন স্থানত অপৰাধটোৰ বাবে বিচাৰ কৰিব পাৰে যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত, সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা এই মৰ্মে বিনিৰ্দিষ্ট কৰে।

গ্ৰেপ্তাৰ বা কাৰ্য্যবাহীৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদন।

৬। কেন্দ্ৰীয় চৰকাৰ বা এই মৰ্মে লিখিতভাৱে কৰা আদেশৰ দ্বাৰা সেই চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত এনে পদাধিকাৰী বা প্ৰাধিকাৰীৰ পূৰ্ব সংমোদন ব্যতিৰেকে ধাৰা ৩ৰ অধীনত কোনো অপৰাধৰ সম্পৰ্কত কোনো ব্যক্তিক গ্ৰেপ্তাৰ বা অভিযোজিত কৰা নহব।

১৯৬২ ৰ ৩৪ প্ৰত্যৰ্পণ অধিনিয়মৰ বিষয়ে উপবন্ধাৱলী।

৭। প্ৰত্যৰ্পণ অধিনিয়ম, ১৯৬২ৰ প্ৰয়োজনাৰ্থে, ধাৰা ৩ৰ অধীনৰ অপৰাধ সমূহ ৰাজনৈতিক চৰিত্ৰৰ এটা অপৰাধ বুলি বিবেচনা কৰা নহব।

## অনুসূচী

**( ধাৰা ২ আৰু ৩ দ্ৰষ্টব্য )**

**বৰ্ণ বৈষম্যৰ অপৰাধৰ গোপনকৰণ আৰু শাস্তিৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় অভিসময়ৰ উপবন্ধাৱলী যিবোৰৰ বিধিৰ বল থাকিব।**

**অনুচ্ছেদ II**

সাম্প্ৰতিক অভিসময়ৰ প্ৰয়োজনাৰ্থে ''বৰ্ণ বৈষম্যৰ অপৰাধ'' অভিব্যক্তিয়ে, যিয়ে দক্ষিণ আফ্ৰিকাত বিহিত কৰা দৰে বংশগত পৃথকীকৰণ আৰু বিভেদৰ সদৃশ আঁচনি আৰু পদ্ধতি অন্তৰ্ভুক্ত কৰিব, ব্যক্তিৰ এটা বংশগত শ্ৰেণীৰ দ্বাৰা ব্যক্তিৰ আন এটা বংশগত শ্ৰেণীৰ ওপৰত একাধিপত্য স্থাপন আৰু পৰিচালনা কৰা বা পদ্ধতি ক্ৰমে সেইবোৰক জুলুম কৰাৰ প্ৰয়োজনাৰ্থে সংঘটিত নিম্নলিখিত অমানবীয় কাৰ্য্য সমূহত প্ৰযোজ্য হব ঃ

(ক) কোনো বংশগত শ্ৰেণী বা শ্ৰেণী সমূহৰ সদস্য বা সদস্য সমূহৰ ব্যক্তিৰ জীয়াই থকাৰ স্বত্ব আৰু স্বতন্ত্ৰতাৰ অধিকাৰ নুইকৰণ।

(I) কোনো বংশগত শ্ৰেণী বা শ্ৰেণী সমূহৰ সদস্যৰ হত্যাৰ দ্বাৰা ;

(II) কোনো বংশগত শ্ৰেণী সমূহৰ সদস্য সমূহৰ ওপৰত গুৰুতৰ শাৰিৰীক বা মানসিক আঘাট পীড়নৰ দ্বাৰা, তেওঁলোকৰ স্বাধীনতা বা মৰ্য্যাদাৰ অতিলঙ্ঘনৰ দ্বাৰা বা তেওঁলোকক, যাতনা দিয়া বা অমানবীয় বা নীচ ব্যৱহাৰ বা শাস্তিৰ দ্বাৰা ;

(III) কোনো বংশগত শ্ৰেণী বা শ্ৰেণী সমূহৰ সদস্য সমূহৰ অন্যায়ভাবে গ্ৰেপ্তাৰ আৰু অবৈধ কাৰাবাসৰ দ্বাৰা ;

(খ) বংশগত সমষ্টি বা সমষ্টিবোৰৰ হিচাপত পোৱা জীৱন ধাৰণৰ ওপৰত ইচ্ছাকৃত ভাৱে এনে পৰিস্থিতিৰ আৰোপ কৰা যি তেওঁলোকৰ সমগ্ৰ বা আংশিক শাৰিৰীক বিনাশৰ ওপৰত কাৰণ হয় ;

* * * *

(ঙ) কোনো বংশগত শ্ৰেণী বা শ্ৰেণী সমূহৰ সদস্য সকলৰ বিশেষকৈ বলপূৰ্বক শ্ৰম প্ৰদান কৰি শোষণ কৰা ;

(চ) মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ পৰা তেওঁলোকক বঞ্চিত কৰি সংগঠন আৰু ব্যক্তি সমূহৰ ওপৰত অভিযোজন কৰা হয়, কাৰণ তেওঁলোকে বৰ্ণ বৈষম্যৰ বিৰোধিতা কৰে।

অনুচ্ছেদ III

আন্তঃৰাষ্ট্ৰীয় আপৰাধিক দায়িত্ব, কোনো ব্যক্তি, কোনো সংগঠন আৰু প্ৰতিষ্ঠানৰ সদস্য সমূহ আৰু ৰাজ্যৰ প্ৰতিনিধি সমূহলৈ, তেওঁলোকে ৰাজ্যৰ যিকোনো ঠাইত য'ত এই দুষ্কাৰ্য্য কৰা হয় বা আন কোনো ৰাজ্যতেই নাথাকক কিয়, আন্তঃৰাষ্ট্ৰীয় আপৰাধিক উত্তৰ দায়িত্ব, কোনো অভিপ্ৰায়ৰ নিৰ্বিশেষে তেতিয়াহে প্ৰযোজ্য হব যেতিয়া তেওঁলোকে -

(ক) বিদ্যমান অভিসময়ৰ অনুচ্ছেদ IIত উল্লিখিত কাৰ্য্য সমূহৰ সংঘটন কৰে বা অংশ গ্ৰহণ কৰে, প্ৰত্যক্ষভাৱে তাত উদগনি দিয়ে বা ষড়যন্ত্ৰ কৰে ;

(খ) বৰ্ণ বৈষম্যৰ অপৰাধৰ সংঘটনত প্ৰত্যক্ষভাৱে অপপ্ৰেৰণা দিয়ে, উৎসাহ দিয়ে বা সহযোগিতা কৰে।

***